**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 2-07-2024
**Time :** 1845 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***
***:::::::::::::::::::::::::::::::::::::::***

***HEADLINE***

১। বিজেপি চৰকাৰৰ দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতিৰ সপক্ষে দেশৰ জনসাধাৰণে আস্থা প্ৰকাশ কৰিছে বুলি ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত,বিতৰ্কৰ উত্তৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সদনত প্ৰকাশ।

২। লোকসভাত আজি অসমৰ বান পৰিস্থিতিৰ প্ৰসংগ উত্থাপন। সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু গৌৰৱ গগৈৰ ৰাজ্যৰ বান পৰিস্থিতিক গুৰুত্বসহকাৰে ল'বলৈ কেন্দ্ৰীয় চৰকাৰক আহ্বান।

৩। ৰাজ্যৰ কেইবাখনো জিলাত বান পৰিস্থিতিৰ জটিল ৰূপ ধাৰণ। ২০খন জিলাৰ ৬ লক্ষাধিক লোক বানৰ কবলত।

৪। বান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ কাইলৈ আৰম্ভ হ'বলগীয়া ৰাজ্যিক মুক্ত বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ পৰীক্ষা স্থগিত।

আৰু

৫। অহা ৬ জুলাইৰ পৰা জিম্বাব'ৱেৰ বিৰুদ্ধে হ'বলগীয়া পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাত অংশগ্ৰহণৰ বাবে ভাৰতৰ পুৰুষ ক্ৰিকেট দল ৰাওনা।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দিয়া ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কীয় আলোচনাৰ উত্তৰ দিয়ে। শ্ৰী মোদীয়ে কয় যে তেওঁৰ চৰকাৰে মাথোঁ ভাৰত প্ৰথম মূলমন্ত্ৰৰে পৰিচালিত হৈ আহিছে আৰু সদ্যসমাপ্ত লোকসভা নিৰ্বাচনত জনসাধাৰণে চৰকাৰৰ দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতিলৈ সমৰ্থন আগবঢ়াইছে। তেওঁৰ চৰকাৰে একাংশৰ বাবে তোষামোদ নহয় বৰং সকলোৰে বাবে ন্যায়ৰ নীতি অনুসৰণ কৰি আহিছে বুলিও শ্ৰীমোদীয়ে লগতে কয়। বিপক্ষক কটাক্ষ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে অপপ্ৰচাৰ বিয়পোৱাৰ পাছতো লোকসভা নিৰ্বাচনত সন্মুখীন হোৱা পৰাজয়ৰ বাবে তেওঁলোকে পোৱা বেজাৰক তেওঁ বাৰুকৈয়ে অনুভৱ কৰিব পাৰিছে। এইবাৰৰ সাধাৰণ নিৰ্বাচনত পৰিপক্কতা আৰু জ্ঞানৰ পৰিচয় দিয়াৰ বাবে শ্ৰীমোদীয়ে দেশৰ জনসাধাৰণক ভূঁয়সী প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে জনসাধাৰণে তেওঁৰ চৰকাৰৰ নীতি, অভিপ্ৰায় আৰু নিষ্ঠাৰ প্ৰতি আস্থা প্ৰকাশ কৰিছে আৰু সেইবাবে এন ডি এ চৰকাৰক তৃতীয়টো কাৰ্যকালৰ বাবে ক্ষমতাত অধিষ্ঠিত কৰিছে। বৰ্তমান চৰকাৰে **সবকা সাথ সবকা বিকাশ** মন্ত্ৰৰে কাম কৰি আহিছে বুলিও তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে ভাষণ দিয়াৰ সময়ত বিৰোধী পক্ষৰ সদস্যসকলে বিভিন্ন বিষয় লৈ সদনত প্ৰতিবাদ সাব্যস্ত কৰে। অধ্যক্ষ ওম বিৰলাই বিৰোধী পক্ষৰ একাংশ সাংসদৰ আচৰণক লৈ অসন্তুষ্টি প্ৰকাশ কৰি তেওঁলোকক সদনত শৃংখলা বৰ্তাই ৰাখিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে কাইলৈ ৰাজ্যসভাক সম্বোধন কৰিব।

ইপিনে, লোকসভাত ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কীয় আলোচনাত অংশ লৈ সমাজবাদী পাৰ্টীৰ অখিলেশ যাদৱে আজি কয় যে বৰ্তমান চৰকাৰৰ নিৰংকুশ সংখ্যাগৰিষ্ঠতা নাই আৰু আই এন ডি এ মিত্ৰজোঁটৰ বাবে এয়া বিজয় স্বৰূপ। শ্ৰী যাদৱে লগতে ভাৰতীয় অৰ্থ ব্যৱস্থাক লৈ প্ৰশ্ন উত্থাপন কৰি কয় যে ভাৰত বিশ্বৰ পঞ্চম সৰ্ববৃহৎ

অৰ্থ ব্যৱস্থাৰ দেশ ৰূপে পৰিগণিত হোৱা সত্ত্বেও জনমূৰি আয় এতিয়াও কম হৈ আছে। প্ৰশ্নকাকত ফাদিলৰ বিষয় লৈ চৰকাৰক আক্ৰমণ কৰি সমাজবাদী পাৰ্টীৰ নেতাগৰাকীয়ে কয় যে চৰকাৰে যুৱক-যুৱতীসকলক কৰ্ম সংস্থাপনৰ সুযোগ প্ৰদান কৰিব নিবিচাৰে।

যোৰহাটৰ কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈয়ে ৰাজ্যৰ বান পৰিস্থিতিৰ কথা উল্লেখ কৰি কেন্দ্ৰীয় চৰকাৰক এন ডি আৰ এফ বাহিনীৰ সহায় আগবঢ়াবলৈ আহ্বান জনায়। তেওঁ কেন্দ্ৰীয় জলশক্তি মন্ত্ৰীক অসমলৈ আহি পৰিস্থিতিৰ বুজ লোৱাৰ লগতে এন ডি আৰ এফ-ৰ দল প্ৰেৰণৰ আহ্বান জনায়।

আলোচনাত ভাগ লৈ দৰং-ওদালগুৰিৰ বিজেপি সাংসদ দিলীপ শইকীয়াই লোকসভাত কয় যে হিন্দু আদৰ্শ আৰু সনাতন সংস্কৃতিৰ বাবে দেশ ধৰ্ম নিৰপেক্ষ হৈ আছে। ৰাহুল গান্ধীয়ে এটা বিশেষ সম্প্ৰদায়ক সমালোচনা কৰাৰ বাবে ক্ষমা খোজা উচিত বুলি সাংসদগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে জৰুৰীকালীন অৱস্থা বলৱৎ কৰি গণতন্ত্ৰ আৰু সংবিধানক ধবংস কৰাৰ চেষ্টা চলাইছিল আৰু ৰাহুল গান্ধীয়ে তাৰ বাবেও ক্ষমা খোজা উচিত। তেওঁ লগতে কয় যে কংগ্ৰেছে দেশৰ প্ৰগতি নিবিচাৰে। কংগ্ৰেছে বিগত তিনিটা লোকসভা নিৰ্বাচনত বিজেপিয়ে এইবাৰৰ সাধাৰণ নিৰ্বাচনত লাভ কৰাৰ সমানো আসন লাভ কৰিবলৈ সমৰ্থ হোৱা নাই বুলি সাংসদগৰাকীয়ে প্ৰকাশ কৰে।

ৰাজ্যসভাতো ৰাষ্ট্ৰপতি ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা চলি আছে। আলোচনাত অংশগ্ৰহণ কৰি অসম গণ পৰিষদৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই অসমৰ ছটা জনগোষ্ঠীক অনুসূচিত জনজাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ বিষয়টো উত্থাপন কৰে। তেওঁ লগতে বান আৰু খহনীয়াক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিবলৈ দাবী জনায়। সাংসদগৰাকীয়ে ৰাজ্যখনৰ অবৈধ প্ৰব্ৰজনকাৰীৰ বিষয় সন্দৰ্ভত মন্তব্য কৰে আৰু ৰাজ্যখনৰ থলুৱা জনসাধাৰণৰ পৰিচয় সুৰক্ষিত কৰাৰ বাবে পদক্ষেপ লোৱাৰ আৰশ্যকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এন ডি এৰ সাংসদসকলক সংসদৰ নিয়ম মানি চলিবলৈ, সংসদীয় সিদ্ধান্ত বৰ্তাই ৰাখিবলৈ আৰু ভাল আচৰণ প্ৰদৰ্শন কৰিবলৈ আহ্বান জনাইছে। নতুন চৰকাৰ গঠন হোৱাৰ পাছত এন ডি এৰ সংসদীয় দলৰ প্ৰথমলানি বৈঠকক সম্বোধন কৰি শ্ৰী মোদীয়ে এইদৰে প্ৰকাশ কৰে। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে প্ৰধানমন্ত্ৰীয়ে এন ডি এৰ সকলো সাংসদক ভাল আচৰণ প্ৰদৰ্শন কৰিবলৈ কৈছে। শ্ৰী ৰিজিজুৱে কয় যে বৈঠকত প্ৰধানমন্ত্ৰীয়ে দল নিৰ্বিশেষে প্ৰত্যেকগৰাকী সাংসদক দেশৰ সেৱা কৰিবলৈ নিৰ্বাচন কৰা আৰু ৰাষ্ট্ৰ সেৱাই তেওঁলোকৰ আটাইতকৈ ডাঙৰ দায়িত্ব বুলি মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে পানী, পৰিৱেশ আৰু সামাজিক খণ্ডৰ লেখিয়া নিজৰ নিজৰ আগ্ৰহৰ বিষয়ত বিশেষ দক্ষতা আহৰণ কৰিবলৈ সাংসদসকলক উৎসাহিত কৰে। শ্ৰী মোদীয়ে প্ৰতিগৰাকী সাংসদক তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলক প্ৰধানমন্ত্ৰী সংগ্ৰহালয় দেখুৱাবলৈ আহ্বান কৰে। শ্ৰী ৰিজিজুৱে কয় যে এই সংগ্ৰহালয়ত কোনোধৰণৰ ৰাজনৈতিক বৈষম্য অবিহনে দেশৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ পৰা বৰ্তমান প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ সকলো প্ৰধানমন্ত্ৰীৰ যাত্ৰা সুন্দৰকৈ উপস্থাপন কৰা হৈছে। ইয়াৰ পূৰ্বে এন ডি এ নেতা-সদস্যসকলে শ্ৰী মোদীক একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ বাবে সম্বৰ্ধনা জ্ঞাপন কৰে।

০০০০০০০০০

দেশৰ জনসাধাৰণক ন্যায় প্ৰদানৰ লগতে নাগৰিকৰ সুৰক্ষা নিশ্চিত কৰাৰ উদ্দেশ্যে কালিৰে পৰা দেশত তিনিখন নতুন আইন বলৱৎ হৈছে। ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম শীৰ্ষক এই আইন কেইখনে ন্যায় প্ৰদান আৰু সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়াত কেতবোৰ নতুনত্বৰ সঞ্চাৰ কৰি সমগ্ৰ প্ৰক্ৰিয়াটো পূৰ্বতকৈ সূচল কৰি তুলিব বুলি আশা কৰা হৈছে। নতুন আইন অনুসৰি আৰক্ষীয়ে এতিয়া কোনোধৰণৰ স্পষ্টিকৰণ অবিহনে ২৪ ঘণ্টাৰ বাবে সন্দেহজনক অভিযুক্তক আটক কৰিব পাৰে। আনহাতে পলাতক অৱস্থাত থকা

অপৰাধীৰ বিৰুদ্ধে বিচাৰ চলোৱাৰ উপৰি তেনে অৱস্থাতে বিচাৰৰ ৰায় ঘোষণা কৰিব পৰা ব্যৱস্থা কৰা হৈছে। এই আইন বলবৎ হোৱাৰে পৰা নাগৰিকে দেশৰ যিকোনো এটা স্থানত থকা অৱস্থাত তেওঁৰ সৈতে সংঘটিত হোৱা অপৰাধৰ এজাহাৰ মোবাইল যোগে নাইবা নিজৰ স্থানীয় থানাটো দাখিল কৰিব পাৰিব। তদুপৰি ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১১১ নম্বৰ ধাৰা অনুসৰি গণ হত্যা নাইবা ম'ৰেল প'লিচিঙৰ ক্ষেত্ৰত কঠোৰ শাস্তিৰ ব্যৱস্থা কৰা হৈছে। এনে গুৰুতৰ অপৰাধৰ ক্ষেত্ৰত যাৱজ্জীৱন কাৰাদণ্ড নাইবা ৫লাখ টকা পৰ্যন্ত জৰিমনা বিহাৰ ব্যৱস্থা ৰখা হৈছে। অপৰাধী সাৰি যাব নোৱাৰাকৈ নতুন আইনত কঠোৰ ব্যৱস্থা ৰখা হ'ব। এতিয়াৰে পৰা প্ৰযুক্তিৰ সহায়ত বিভিন্ন আইনী ব্যৱস্থা গ্ৰহণ কৰা হৈছে। **WHATSAPP** যোগেও চমন জাৰি কৰিব পৰা ব্যৱস্থা লোৱাৰ লগতে মোবাইলৰ এছএমএছ, ফটো, অডিঅ' বা ভিডিঅ' আদিও সাক্ষ্য হিচাপে লোৱা হ'ব। সাক্ষী সুৰক্ষা আঁচনি প্ৰৱৰ্তনৰ দ্বাৰা নতুন আইনত সাক্ষীৰ বিশেষ সুৰক্ষাৰ ব্যৱস্থা ৰখা হৈছে। ইয়াৰ ফলত কোনো গোচৰৰ সাক্ষীয়ে আৰক্ষীৰ ওচৰলৈ গৈ সহায় বিচাৰিব পাৰে। আনহাতে নতুন আইনত আৰক্ষীয়ে গোচৰ প্ৰত্যাহাৰ কৰাৰ আগতে, অভিযোগকাৰীৰ আদালতৰ সন্মুখত তথ্য উপস্থাপন কৰাৰ অধিকাৰ দিয়া হৈছে।

ইপিনে নতুন আইন তিনিখন সন্দৰ্ভত ব্যাপক সজাগতা সৃষ্টিৰ বাবে প্ৰশাসন, আৰক্ষী আৰু অধিবক্তাসকলৰ বিভিন্ন স্থানত প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। তদুপৰি ঠায়ে ঠায়ে জনসাধাৰণক আইন তিনিখন সন্দৰ্ভত সজাগ কৰি তোলাৰ বাবে সজাগতা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। চিৰাং জিলাৰ কাজলগাঁও থানা চৌহদত কালি এই উপলক্ষে সজাগতা সভা অনুষ্ঠিত হয়। এই সভাত জিলাখনৰ আৰক্ষী অধীক্ষক, অতিৰিক্ত আৰক্ষী অধীক্ষক, গাঁওৰক্ষী বাহিনীৰ সম্পাদককে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

ooooooooo

ৰাজ্যৰ বান পৰিস্থিতি অধিক শোচনীয় হৈ পৰিছে। প্ৰলয়ংকৰী বানত ৰাজ্যৰ ২০খন জিলাৰ ৬ লাখ ৪০ হাজাৰতকৈও অধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। যোৱা ২৪ ঘণ্টাত বানৰ ফলত ধেমাজি আৰু তিনিচুকীয়া জিলাত এজনকৈ লোকে প্ৰাণ হেৰুৱাইছে। ইয়াকে লৈ এইবাৰৰ বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৩৬ লৈ বৃদ্ধি পালে। আনহাতে, গোলাঘাট জিলাৰ এজন লোক সন্ধানহীন হৈ আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা বান পৰিস্থিতিৰ বুজ ল'বলৈ আজি গোলাঘাটত উপস্থিত হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে বোকাখাতৰ বান পীড়িত অঞ্চলসমূহ পৰিদৰ্শন কৰি ক্ষতিগ্ৰস্ত লোক সকলৰ বাবে সাহায্য সুনিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰে নিৰন্তৰ কাম কৰি আছে বুলি উল্লেখ কৰে। ইপিনে, কলিয়াবৰৰ হাতীমূৰা বান্ধ ব্ৰহ্মপুত্ৰৰ বাঢ়নি পানীয়ে চিঙি পেলোৱা তথা জিলাখনত হৈ থকা বান পৰিস্থিতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যে আজি কলিয়াবৰত এখন জৰুৰীকালীন বৈঠক অনুষ্ঠিত হয়। বৈঠকত মন্ত্ৰী কেশৱ মহন্তৰ লগতে জিলাখনৰ আয়ুক্ত, অতিৰিক্ত আয়ুক্ত, মহকুমাধিপতি তথা জ্যেষ্ঠ বিষয়াসকলৰ উপস্থিত থাকে। আনহাতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বান পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে কাইলৈ উজনি অসম ভ্ৰমণ কৰিব।

ব্ৰহ্মপুত্ৰ বাঢ়নি পানীয়ে মাজুলিৰ আউনীআটি সত্ৰৰ সমীপৰ গোৱালগাঁৱৰ যুগুনিধাৰীত মথাউৰি চিঙাৰ ফলত অঞ্চলটোৰ কেইবাখনো গাওঁ জলমগ্ন হৈছে আৰু অঞ্চলটোৰ পশু ধনকে ধৰি ৰাইজৰ সা-সম্পত্তিৰ বিস্তৰ ক্ষতি হৈছে। বানাক্ৰান্ত ৰাইজৰ পৰিস্থিতি বুজ ল'বলৈ আজি মন্ত্ৰী ৰণোজ পেগুৱে স্থানীয় বিধায়ক ভূবন গাম আৰু জিলা আয়ুক্তৰ সৈতে অঞ্চলটো পৰিদৰ্শন কৰে। ক্ষতিগ্ৰস্ত লোক সকলৰ বাবে ৰাজ্য চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে আৰু ভৱিষ্যতলৈও সকলো ব্যৱস্থা কৰি যাব বুলি উল্লেখ কৰি মন্ত্ৰী শ্ৰী পেগুৱে এই প্ৰাকৃতিক দুৰ্যোগৰ সময়ত ৰাইজক ধৈৰ্য্য আৰু সাহস অটুট ৰাখিবলৈ আহ্বান জনায়।

যোৰহাট জিলাতো ব্ৰহ্মপুত্ৰ জলপৃষ্ঠই বিপদ সীমা অতিক্ৰম কৰিছে। টীয়ক-মুদৈজান-জাঁজীমুখ সংযোগী পথ, হাতীশাল, জাঁজীমুখ প্লেটফৰ্ম সংযোগী পথ এতিয়াও পানীৰ তলত থকাৰ ফলত বহু লোক জলবন্দী হৈ আছে। শিৱসাগৰ জিলাতো প্ৰায়বোৰ নদীৰে জলস্তৰ বৃদ্ধি পোৱাত জিলাখনৰ তিনিটা ৰাজহ চক্ৰৰ ৫৫খন গাঁও বানৰ কবলত পৰিছে। প্ৰশাসনে যুদ্ধকালীন ক্ষীপ্ৰতাৰে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। এন ডি আৰ এফ বাহিনীৰ ৰবৰৰ নাৱৰে

বানাক্রান্ত অঞ্চলসমূহৰ পৰা মহিলা তথা শিশুসকলক নিৰাপদ স্থানলৈ নিয়াৰ ব্যৱস্থা  কৰিছে। আনহাতে, ক্ষতিগ্ৰস্ত লোকসকলে যাতে বিশুদ্ধ খোৱাপানী, খাদ্যৰ লগতে নিৰাপদ আশ্ৰয় লাভ কৰে তাৰ বাবে প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি জিলাখনৰ বিভিন্ন অঞ্চল পৰিদৰ্শন কৰি বানত ক্ষতিগ্ৰস্ত লোকসকলৰ উদ্ধাৰ, পুনৰ সংস্থাপন, সাহায্য আদি ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা ল'বলৈ প্ৰশাসনক নিৰ্দেশ দিছে। আনহাতে চৰাইদেউ, হোজাই, বিশ্বনাথ, ওদালগুৰি আদি জিলাতো বানৰ ফলত জনসাধাৰণৰ স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈছে। চৰাইদেউ জিলাৰ বৰহাট, উত্তৰ চোমদাৰ, নলিনীপথাৰ আদি অঞ্চল দিচাং নৈৰ বাঢ়নি পানীয়ে বুৰাই পেলোৱাৰ ফলত শতাধিক পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে। দৰং জিলাৰ দলগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত বৌমাৰী গাঁৱৰ ১৩টা পৰিয়ালৰ বাসগৃহ ধনশ্ৰী নৈৰ খহনীয়াত জাহ যোৱা বুলি জানিব পৰা গৈছে।

oooooooooo

বানৰ বাবে যাতায়াত ব্যাহত হৈ থকা থকা গুৱাহাটী-শ্বিলং-শিলচৰ সংযোগী ৰাষ্ট্ৰীয় ঘাইপথেৰে পুনৰ যাতায়াত আৰম্ভ হৈছে। যোৱা নিশাৰে পৰা পথটোৰে যাতায়াত আৰম্ভ কৰা হৈছে। উল্লেখযোগ্য যে ধাৰাসাৰ বৰষুণৰ ফলত মেঘালয়ৰ লুমছুমত হোৱা ভূমিস্খলনৰ ফলত পাহাৰৰ পৰা নামি অহা বোকা মাটিয়ে ৰাষ্ট্ৰীয় ঘাইপথটোৰ কেইবা মিটাৰ অংশ খহাই পেলোৱাৰ ফলত পথটোৰে যাতায়াত সম্পূৰ্ণ বন্ধ হৈ পৰিছিল। ইয়াৰ ফলত পথৰ দুয়োকাষে ভালেসংখ্যক বাহন আবদ্ধ হৈ পৰিছিল। ইয়াৰ ফলস্বৰূপে বৰাক উপ্যতকাৰ লগতে চুবুৰীয়া মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু ৰাজ্য তথা দেশৰ অন্যান্য অংশৰ সৈতেও সাময়িকভাৱে যাতায়াত বিচ্ছিন্ন হৈছিল। পূব জয়ন্তীয়া পাহাৰ জিলা প্ৰশাসন আৰু নিৰ্মাণ সংস্থাই যুদ্ধকালীন তৎপৰতাৰে কাম কৰি যোৱা নিশা পথটোৰে যান বাহন চলাচলৰ ব্যৱস্থা কৰি দিয়ে।

oooooooo

ৰাজ্যৰ কেইবাখনো জিলা বানৰ কবলত পৰাৰ পৰিপ্ৰেক্ষিতত অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে কাইলৈ আৰম্ভ হ'বলগীয়া ৰাজ্যিক মুক্ত বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ পৰীক্ষা পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত স্থগিত ৰাখিছে। এই সন্দৰ্ভত শিক্ষা সংসদৰ সচিবে জাৰি কৰা নিৰ্দেশনাত কয় যে, বান পৰিস্থিতি উন্নত হোৱাৰ পাছতে নতুনকৈ পৰীক্ষা অনুষ্ঠিত কৰা হ'ব। এনে পৰিস্থিতিত পৰীক্ষা কেন্দ্ৰৰসমূহৰ ভাৰপ্ৰাপ্ত বিষয়াক উকা উত্তৰ বহীকে ধৰি পৰীক্ষাৰ সকলো গোপনীয় সা-সামগ্ৰী থানা আৰু কোষাগাৰত সুৰক্ষিতভাৱে ৰাখিবলৈ শিক্ষা সংসদে নিৰ্দেশনাটোত উল্লেখ কৰিছে।

oooooooooo

শুল্ক বিভাগৰ গুৱাহাটী মণ্ডলৰ দলে গোপন সূত্ৰৰ পম খেদি বৰাগাঁৱৰ এটা প্ৰতিষ্ঠানত অভিযান চলাই আজি ৫৩৬ কাৰ্টন বিদেশী চিগাৰেট জব্দ কৰিছে। জব্দ কৰা চিগাৰেটখিনিৰ বজাৰ মূল্য ৩০ লাখ ৭৯ হাজাৰ টকা হ'ব বুলি অনুমান কৰা হৈছে। শুল্ক বিভাগে প্ৰকাশ কৰা মতে চিগাৰেটখিনি প্ৰতিষ্ঠানটোৰ পুৰণি আলমিৰা, ৱাশ্বিং মেচিন আৰু এটা বিকল হোৱা ফ্ৰিজৰ ভিতৰত ভৰাই ৰখা হৈছিল। শুল্ক বিভাগে মুঠ এক লাখ ৭ হাজাৰ ২০০টা চিগাৰেট জব্দ কৰে। এই সন্দৰ্ভত বিভাগে তদন্ত অব্যাহত ৰাখিছে।

oooooooo

গ্ৰীষ্ম বন্ধৰ সময়ছোৱা শিক্ষাৰ্থীসকলৰ বাবে ফলপ্ৰসূ কৰি তোলাৰ উপৰি তেওঁলোকৰ সাংস্কৃতিক উৎকৰ্ষ সাধনৰ লক্ষ্যৰে ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত বিধানসভা সমষ্টিভিত্তিক  কৰ্মশালাৰ আয়োজন কৰা হৈছে। বিগত বছৰৰ দৰে এইবাৰো শিক্ষাৰ্থীসকলৰ সাংস্কৃতিক বুদ্ধিমত্তা বিকাশত গুৰুত্ব আৰোপ কৰি বিভাগে এই ব্যৱস্থা লৈছে। ইয়াৰ অধীনত কালিৰে পৰা চতুৰ্থ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণী পৰ্যন্ত শিক্ষাৰ্থীসকলক লৈ প্ৰতিটো বিধানসভা সমষ্টিত কৰ্মশালাৰ আয়োজন কৰা হৈছে। এই কৰ্মশালাত নাটক, সত্ৰীয়া নৃত্য, লোকনৃত্য, পৰম্পৰাগত নৃত্য, চাৰু-কাৰু কলা বিষয়ক ১৫ দিনীয়া প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। সবিশেষ তথ্যৰ বাবে ইচ্ছুক শিক্ষাৰ্থীসকলক সংশ্লিষ্ট জিলাৰ সাংস্কৃতিক উন্নয়ন বিষয়া, ভাৰপ্ৰাপ্ত সাংস্কৃতিক উন্নয়ন বিষয়া তথা সাংস্কৃতিক বিভাগৰ দায়িত্বত থকা জিলা আয়ুক্তৰ

কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰিবলৈ কোৱা হৈছে। শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে ছাত্ৰ-ছাত্ৰীসকলক এই কৰ্মশালাত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

000000000

অসম স্বাস্থ্যসেৱা সমবায় সমিতিৰ উদ্যোগত আৰু গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ৰ সহযোগত গুৱাহাটী প্ৰেছ ক্লাবত আজি সাংবাদিক সকলৰ বাবে বিনামূলীয়া স্বাস্থ্য পৰীক্ষা তথা মধুমেহ আৰু ৰক্তচাপ শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰত চিকিৎসক বিদ্যুৎ বিকাশ চৌধুৰী আৰু কেইবাগৰাকীও চিকিৎসা কৰ্মীয়ে সেৱা আগবঢ়ায়। তদুপৰি জ্যেষ্ঠ চকুৰোগ বিশেষজ্ঞ ডা০ বিজুলী গোস্বামীয়ে সাংবাদিক সকলৰ চকু পৰীক্ষা কৰে। কমেও ৭৫ গৰাকী সাংবাদিকে এই শিবিৰত চকু আৰু স্বাস্থ্য পৰীক্ষা কৰোৱায়।

0000000

শুভমন গিলৰ নেতৃত্বত ভাৰতৰ পুৰুষ ক্ৰিকেট দলটোৱে অহা ৬ৰ পৰা ১৪ জুলাইলৈ জিম্বাব'ৱেৰ বিৰুদ্ধে হ'বলগীয়া পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ বাবে জিম্বাব'ৱেলৈ ৰাওনা হৈছে। শৃংখলাৰ আটাইকেইখন খেল হাৰাৰে স্পৰ্টছ ক্লাব খেলপথাৰত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে ভাৰতীয় দলটোত ধ্ৰুৱ জুৰেল, ৰিয়ান পৰাগ, ৱাশ্বিংটন সুন্দৰ, ৰবি বিষ্ণইৰ দৰে যুৱ খেলুৱৈসকলে স্থান লাভ কৰিছে। দলটোৰ সৈতে ভি ভি এছ লক্ষ্মণে প্ৰশিক্ষকৰূপে যাত্ৰা কৰিছে।

আনহাতে ঘৰুৱা দল জিম্বাব'ৱেও শৃংখলাটোৰ বাবে ১৭ জনীয়া দলটোৰ সদস্যসকলৰ নাম ঘোষণা কৰিছে। জ্যেষ্ঠ খেলুৱৈ তথা বেটছমেন ছিকন্দৰ ৰাজাক যুৱ দলটোৰ অধিনায়কৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

0000000

অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাৰ গোলাঘাট আৰু বৰপথাৰ শাখাৰ যৌথ উদ্যোগত বোকাখাট, দেৰগাঁও আৰু সৰুপথাৰ শাখাৰ চাহ জনজাতিৰ জাতিগত প্ৰমাণপত্ৰ জালিয়াতিৰে অন্য জাতিৰ লোকক প্ৰদান কৰাৰ বিপক্ষে আজি এটা প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়।

0000000

সমাপ্ত